**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-06-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সম্প্ৰসাৰিত অসম মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া মন্ত্ৰীসকলৰ তালিকা প্ৰকাশ কৰিছে। কিছু সময় পূৰ্বে সামাজিক মাধ্যম এক্সৰ যোগে মুখ্যমন্ত্ৰীয়ে কাইলৈ শপত গ্ৰহণ কৰিবলগীয়া ১২গৰাকী মন্ত্ৰীৰ তালিকা প্ৰকাশ কৰিছে। সম্প্ৰসাৰিত মন্ত্ৰীসভাত অশ্বিনী ৰয় সৰকাৰ, অশোক সিংহল, বিমল বৰা, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কেশৱ মহন্ত, কৃষ্ণেন্দু পাল, নীলিমা দেৱী, পীযুষ হাজৰিকা, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোঁহাইয়ে স্থান লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি মন্ত্ৰীসকলৰ তালিকা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক দাখিল কৰিব।

ইপিনে, খানাপাৰাৰ জ্যোতিবিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কাৰ্যসূচীৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ দিনৰ ১২ বাজি ৪৫ মিনিটত শপতগ্ৰহণ অনুষ্ঠান আৰম্ভ হ'ব। ৰাজ্যপাল শ্ৰী আচাৰ্যই মন্ত্ৰীসভাত নতুনকৈ স্থান লাভ কৰিবলগীয়া বিধায়কসকলক শপতবাক্য পাঠ কৰোৱাব।

০০০

ৰাজ্যত বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ প্ৰায় এক কোটি গছপুলি ৰোপণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাক এই অভিযানৰ সৈতে জড়িত কৰোৱা হ'ব। ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ বনানিকৰণ, স্বচ্ছ শক্তিৰ প্ৰসাৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰৰ জৰিয়তে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ বাবে এই পদক্ষেপ লৈছে।

সমগ্ৰ শিক্ষা অসমেও বিশ্ব পৰিবেশ দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সকলো জিলাৰ জিলা মিছন সমন্বয়ক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। এই অনুসৰি কাইলৈৰ পৰা ৩০ জুনলৈ ইকো ক্লাবছ ফৰ মিছন লাইফৰ পৃষ্ঠপোষকতাত সেউজ গ্ৰীষ্ম শিবিৰ অনুষ্ঠিত কৰা হ'ব। তদুপৰি প্ৰতিখন বিদ্যালয়ত 'মাতৃৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ তৃতীয় সংস্কৰণ ৰূপায়ণ কৰা হ'ব। শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ জৰিয়তে এইবাৰ ২৮ লাখ ৩৬ হাজাৰ ২৩২ টা গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে।

০০০

প্ৰধানমন্ত্ৰী সূৰ্যঘৰ উৎকৰ্ষ বঁটাত অসমে শ্ৰেষ্ঠত্ব অৰ্জন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। এই সন্মানে ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্য পূৰণৰ সংকল্পক অধিক শক্তিশালী কৰিছে বুলি ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ লগতে ৰাজ্যৰ বিকাশৰ গতি অধিক ত্বৰান্বিত কৰিবলৈ সেউজ আৰু নবীকৰণযোগ্য শক্তিৰ উৎস গ্ৰহণৰ ক্ষেত্ৰত ৰাজ্যখনৰ প্ৰতিশ্ৰুতি পুনৰ প্ৰতিফলিত হৈছে বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে মধ্যমীয়া গ্ৰাহক-ভিত্তিক ৰাজ্যসমূহৰ ভিতৰত অসমে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনিৰ অধীনত

সৰ্বাধিক বিক্ৰেতা পঞ্জীয়নত প্ৰথম স্থান লাভ কৰাৰ লগতে সৰ্বাধিক গ্ৰাহকৰ আবেদন আৰু সৰ্বাধিক বিতৰণ কোম্পানী পৰিদৰ্শনত দ্বিতীয় স্থান লাভ কৰিছে। তদুপৰি সৰ্বাধিক সৌৰশক্তি স্থাপনতো ৰাজ্যখনে তৃতীয় স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পাৰ্থিবজ্যোতি শইকীয়াৰ বিচাৰপীঠে আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ইপিনে, অভিযুক্তগৰাকীৰ মহাবীৰ একুৱা নামৰ ব্যৱসায় প্ৰতিষ্ঠানটো জব্দ কৰিবলৈ ফাষ্টট্ৰেক আদালতে দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনাই চেতন ধীৰা চৰিয়া নামৰ এজন লোকে উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনখনৰ সন্দৰ্ভতো আজি আদালতখনে শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। আদালতে এই গোচৰ আৰু আবেদন অন্য আদালতলৈ হস্তান্তৰ কৰে।

০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়ালৰ কল্যাণ বিভাগৰ মন্ত্ৰী জে পি নাড্ডাই আজি গুৱাহাটী মহানগৰীৰ সমীপৰ যোৰাবাটত এখন হাস্পতাল উদ্বোধন কৰে। ১২০ খন বিছনাযুক্ত এই হাস্পাতল উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী নাড্ডাই উন্নতমানৰ সা-সুবিধাৰে যোৰাবাটত এনে এখন চিকিৎসালয় স্থাপন কৰাৰ বাবে কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত মেঘালয় চৰকাৰে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ৰাইলাডমিকি শ্বাইলা, মন্ত্ৰী সষ্টেনেছ ছ'হতুন, ৰাজ্য চৰকাৰৰ ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ মন্ত্ৰী ৰামেশ্বৰ তেলীকে ধৰি ভালেসংখ্যক গণ্যমান্য লোক উপস্থিত থাকে।

০০০

শ্বিলঙত অনুষ্ঠিত উত্তৰ-পূব পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশনত উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী তথা উত্তৰ-পূব পৰিষদৰ উপাদ্যক্ষ জ্যোতিৰাদিত্য এম সিন্ধিয়াই মন্ত্ৰালয়ৰ বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোকপাত কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ বাবে মন্ত্ৰালয়ে এই অঞ্চলৰ সংযোগ, সমন্বয় আৰু ক্ষীপ্ৰব্যৱস্থাৰে এক সুবিধা প্ৰদানকাৰী, সমন্বয়ক আৰু সেঁতু হিচাপে কাম কৰি আহিছে। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০

ডিব্ৰুগড়ৰ বৈৰাগীমঠৰ বাসিন্দা দিলীপ বৰুৱাৰ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৬ বছৰ। উল্লেখযোগ্য যে, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ বিষয়া পদৰ পৰা অৱসৰ গ্ৰহণ কৰা বৰুৱা দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। পিছত কালি দিল্লীৰ এখন চিকিৎসালয়ত তেওঁ চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস ত্যাগ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ